অধ্যায় ১৪ ঃ প্লেটোঃ আদর্শ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা

১৪.৪ ৰাষ্ট্ৰত থকা তিনি প্ৰকাৰৰ নাগৰিক

১৪.৫ শিক্ষাৰ ধাৰণা

১৪.৬ পৰিয়ালৰ ধাৰণা

১৪.৭ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ বৈশিষ্ট্যসমূহ

- ১৪.৭.১ দর্শনৰ নীতি
- ১৪.৭.২ আদর্শ স্বৈৰাতন্ত্ৰৰ অনুপস্থিতি
- ১৪.৭.৩ শিক্ষা ব্যৱস্থাৰ ওপৰত থকা নিয়ন্ত্ৰণ
- ১৪.৭.৪ আদর্শ ৰাষ্ট্ৰত ন্যায়
- ১৪.৭.৫ কলা আৰু সাহিত্যৰ অভিবেচন বা নিয়ন্ত্ৰণ
- ১৪.৭.৬ সাম্যবাদৰ ব্যৱস্থা
- ১৪.৭.৭ পুৰুষ আৰু মহিলাৰ মাজত সমতা
- ১৪.৭.৮ কর্মৰ বিশেষত্বৰ নীতি

১৪.৮ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাৰ আসোঁৱাহসমূহ

১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১০ অধিক জানিবলৈ

১৪.১১ অগ্ৰগতিৰ খতিয়ান

১৪.১২ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব

- ৰাষ্ট্ৰত থকা তিনি প্ৰকাৰৰ নাগৰিকৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- শিক্ষা আৰু পৰিয়ালৰ ধাৰণা সম্পৰ্কে জানিব পাৰিব
- প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা সম্পৰ্কে থকা সমালোচনা বা আসোঁৱাহসমূহৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটোৰ লগত পৰিচয় কৰাই দিব। এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি জানিবলৈ সক্ষম হ'ব যে প্লেটোৱে কেনেকৈ আদর্শ ৰাষ্ট্ৰৰ সংজ্ঞা দিছিল। প্লেটোই কৈছিল যে যেতিয়ালৈ দার্শনিকবোৰ ৰজা নহয় বা এই পৃথিৱীৰ ৰজা আৰু ৰাজকুমাৰবোৰৰ দার্শনিক উদ্যম আৰু শক্তি/ক্ষমতা নাথাকিব আৰু ৰাজনৈতিক মহানতা আৰু জ্ঞান এঠাইত মিলিত নহয়, চহৰবোৰ কেতিয়াও তাৰ বেয়াবোৰৰ পৰা মুক্ত উদ্ধাৰ হ'ব নোৱাৰে। এতিয়া প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো অধ্যয়ন কৰোঁ আহঁক।

১৪.৩ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা

প্লেটোই তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ তত্ত্বটো তেওঁৰ বিখ্যাত গ্ৰন্থ "The Republic" ত প্ৰকাশ কৰিছিল। প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো কিছুমান নিশ্চিত মৌলিক নীতিৰ ওপৰত নির্ভৰশীল আছিল যেনে— মানুহৰ তিনিটা শ্ৰেণীবিভাজন, সহায়ক তথা উৎপাদক শ্ৰেণী, ন্যায় প্ৰতিষ্ঠা, ৰাষ্ট্ৰ নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থা, সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ।

সকলোবোৰ আদর্শৰ উৰ্দ্ধত বা শেষত প্লেটোৰ ৰিপ্লাবিকেই আটাইতকৈ বেছি আদর্শগত বুলি ভবা হয়। ইয়াৰ কাৰণ এইটো নহয় যে ইয়াত ৰোমাঞ্চ আছে, বৰঞ্চ এইটো কাৰণে যে তেওঁ ইয়াত এখন আদর্শ ৰাষ্ট্ৰ গঠন কৰিছে। প্লেটোই আদর্শ ৰাষ্ট্ৰৰ গঠনটো এজন শিল্পীৰ এখন স্মৰণীয় বা অতি লেখতল'বলগীয়া বা আদর্শগত ছবি এখন আঁকা ব্যাখ্যাটোৰ সৈতে তুলনা কৰিছে য'ত তেওঁ এইটোৰ সত্যতা নাজানে যে সেই কাল্পনিক ছবিখনৰ ব্যক্তিগত চৰিত্ৰ বা বৈশিষ্ট্যসমূহ প্ৰকৃতার্থত কৰবাত বিচাৰি পোৱা যাব নে নাযায়। প্লেটোই কেতিয়াও তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ অনুষ্ঠানসমূহৰ প্ৰকৃতার্থৰ ছবিখন বা সত্যতাৰ ছবিখনৰ সাম্ভাব্যতা চিন্তা কৰা নাছিল। তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ অৰাস্তৰিকতাটো কেতিয়াও তেওঁ চিন্তা কৰা নাছিল।

প্লেটোই তেওঁৰ ৰাজ্যৰ ধাৰণাটো এজন ব্যক্তিৰ লগত তুলনা কৰি গঠন কৰিছিল। তেওঁ সদায়ে বিশ্বাস কৰিছিল যে এজন ব্যক্তিৰ গুণসমূহ আৰু ৰাষ্ট্ৰখন একে। তেওঁ এইটো মতামত প্ৰকাশ কৰিছিল যে যেনেকৈ এখন সমাজে এক বৃহৎ পৰিমাণত নিজৰ বৈশিষ্ট্য আৰু

গুণসমূহ প্ৰকাশ কৰে ঠিক তেনেকৈ এজন ব্যক্তিয়েও নিজৰ গুণ বা বৈশিষ্ট্যসমূহ কম পৰিমানত প্ৰকাশ কৰে।

১৪.৪ ৰাজ্যত/ৰাষ্ট্ৰত থকা তিনি প্ৰকাৰৰ নাগৰিক

প্লেটোৰ মতে, ৰাজ্য বা ৰাষ্ট্ৰ হ'ল মানুহৰ সৃষ্টি/উৎপাদন যি গঠন হয়। তিনি প্ৰকাৰৰ উৎপাদনৰ দ্বাৰা যেনে বুদ্ধি, সাহস আৰু ভোকৰ দ্বাৰা এই তিনি প্ৰকাৰৰ মানৱীয় উপাদানৰ লগত সংগতি ৰাখি তিনি প্ৰকাৰৰ মানুহৰ শ্ৰেণীৰ বা প্ৰকাৰৰ সৃষ্টি হয় অভিভাৱক শ্ৰেণী, সহায়ক আৰু উৎপাদক শ্ৰেণী। প্লেটোৱে মানুহৰ এই তিনি প্ৰকাৰৰ শ্ৰেণীৰ মাজত কৰ্মৰ বিশেষত্বৰ (Functional Specialisation) কথা কৈছে। যেতিয়া এই তিনি প্ৰকাৰৰ শ্ৰেণীৰ মানুহ এজনে আনজনৰ কামত হস্তক্ষেপ নকৰাকৈ নিজৰ নিজৰ কামত মনোনিৱেশ কৰি থাকে বা কৰে তেতিয়া ন্যায় বলবৎ হয়। এনেদৰে এখন আদর্শ ৰাষ্ট্ৰত এজন দার্শনিক ৰজাই দেশখনক শাসন কৰিব, সৈনিকসকল দেশখনৰ প্ৰতিৰক্ষাৰ দায়িত্বত থাকে আৰু উৎপাদক শ্ৰেণীয়ে সকলোৰে বাবে খাদ্য আৰু আন আন লাগতিয়াল বস্তুসমূহ উৎপন্ন কৰে।

১৪.৫ শিক্ষাৰ ধাৰণা

প্লেটোৰ মতে, এখন ৰাষ্ট্ৰত তেতিয়াহে শান্তি আৰু সম্প্ৰীতি তথা উন্নতি সম্ভৱ হ'ব যেতিয়া সকলো মানুহ এজনে আনজনৰ কামত হস্তক্ষেপ নকৰাকৈ নিজৰ নিজৰ কাম কৰি যাব। দার্শনিক ৰজা বা অভিভাৱক শ্ৰেণীয়ে প্ৰয়োজনীয় কৌশল আৰু জ্ঞানসমূহ শিক্ষাৰ এক ৰাষ্ট্ৰ নিয়ন্ত্ৰিত ব্যৱস্থাৰ দ্বাৰা লাভ কৰে। প্লেটোৰ মতে, ৰাষ্ট্ৰ নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থাৰ দৰাচলতে উদ্দেশ্য হ'ল এখন আদর্শ ৰাষ্ট্ৰত জ্ঞানী শাসক আৰু গুণী নাগৰিকৰ সৃষ্টি কৰা।

১৪.৬ পৰিয়ালৰ ধাৰণা

এখন আদর্শ ৰাষ্ট্ৰত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ ব্যৱস্থাৰদ্বাৰা বৈশিষ্ট্যপূর্ণ হয়। সাম্যবাদৰ এই ব্যৱস্থাত দার্শনিক ৰজা বা অভিভাৱক শ্ৰেণীয়ে কোনো পৰিয়াল বা ব্যক্তিগত সম্পত্তিৰ কোনো অধিকাৰ নাথাকে। প্লেটোই পৰিয়াল আৰু ব্যক্তিগত সম্পত্তিৰ বাবে থকা আসক্তিক ৰাষ্ট্ৰৰ একতা লাভ বা আহৰণ কৰাৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ বাধা হিচাপে গণ্য কৰিছে। সেয়েহে তেওঁ অভিভাৱক শ্ৰেণীৰ বাবে ব্যক্তিগত সম্পত্তি আৰু পৰিয়ালৰ ক্ষেত্ৰত এক সাম্যবাদৰ উকালতি কৰিছিল যাৰ অধীনত বা যাৰ মতে তেওঁলোকৰ নিজাববিয়াকৈ কোনো ব্যক্তিগত সম্পত্তি বা পৰিয়াল নাথাকিব। অৱশেষত যাৰ ফলত তেওঁলোকে ৰাষ্ট্ৰৰ সেৱাত সম্পূর্ণ ভাৱে নিজকে সমর্পন কৰিব পাৰিব।

১৪.৭ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ/ৰাজ্যৰ বৈশিষ্ট্যসমূহ

প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য আছে। সেইবোৰ হ'ল —

১৪.৭.১ দর্শনৰ নীতি

প্লেটোৰ মতামত পোষণ কৰিছিল যে এখন আদর্শ ৰাষ্ট্ৰত দার্শনিক শাসকজন শক্তিশালী হ'ব লাগে। তেওঁৰ জ্ঞানৰ একতা বা ঐক্যতা সম্বন্ধে এক বহুল দৃষ্টিভংগী থাকিব লাগে। দার্শনিক শাসকে আইন-কানুন আৰু ৰাজহুৱা মতামতৰ পৰা পুষ্টি লাভ কৰে।

১৪.৭.২ অদক্ষ স্বৈৰাতন্ত্ৰৰ অনুপস্থিতি (No Unqualified Absolutism)

প্লেটোৰ আদর্শ ৰাষ্ট্ৰত যদিও দার্শনিক শাসকৰ ওপৰত আইন কানুন আৰু ৰাজহুৱা মতামতৰ কোনো বাধ্য-বাধকতা নাই, তথাপিও কিন্তু এক অদক্ষ স্বৈৰাতন্ত্ৰ নহয়। ই সম্পূর্ণভাৱে নিৰংকুশতাবাদ (Despetism) নহয়, কিয়নো দর্শনৰ নীতি সংবিধানক মুল ভাগ বা বিষয়বোৰৰ পৰা মুক্ত নহয়।

১৪.৭.৩ শিক্ষা ব্যৱস্থাৰ ওপৰত থকা নিয়ন্ত্ৰণ

এখন আদর্শ ৰাষ্ট্ৰত দার্শনিক শাসক বা ৰজাজনে শিক্ষা ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব লাগে।

১৪.৭.৪ আদর্শ ৰাষ্ট্ৰত ন্যায়

প্লেটোৰ ৰিপাব্লিকৰ প্রধান বৈশিষ্ট্য হ'ল ন্যায় আৰু এইটো তেওঁৰ আদর্শ ৰাষ্ট্ৰতো বিদ্যমান। ন্যায় হ'লে সেই বান্ধোন যিয়ে সমাজৰ সকলোকে বা প্রতিজন সদস্যকে একতাৰ ডোলেৰে বান্ধি ৰাখে। ই মানুহৰ এক মিলাপ্রীতিৰ সৃষ্টি কৰে।

১৪.৭.৫ কলা আৰু সাহিত্যৰ অভিবেচন বা নিয়ন্ত্ৰণ (Cencorship)

প্লেটোৰ আদর্শ ৰাষ্ট্ৰত কলা আৰু সাহিত্যৰ সম্পূর্ণ নিয়ন্ত্ৰণ বা অভিবেচন থাকিব লাগে। ই জৰুৰী যাতে ডেকা বা বয়সত সৰু সৰু মানুহবোৰৰ হাতত কোনো ধৰণৰ অনৈতিক বস্তু আহি নপৰে।

১৪.৭.৬ সাম্যবাদৰ ব্যৱস্থা

প্লেটোৰ মত পোষণ কৰিছিল যে অভিভাৱক শ্ৰেণীয়ে সম্পত্তি আৰু পৰিয়ালৰ এক সাম্যবাদী ব্যৱস্থাৰ মাজত জীয়াই থাকিব লাগে। শাসক আৰু সৈনিকসকলৰ কোনো ধৰণৰ নিজৰ সম্পত্তি নাই।

১৪.৭.৭ পুৰুষ আৰু মহিলাৰ মাজত সমতা

প্লেটোৰ মতে পুৰুষ আৰু মহিলা উভয়কে তেওঁলোকৰ অৰ্থনৈতিক, সামাজিক, বৌদ্ধিক আৰু ৰাজনৈতিক উন্নয়নৰ বাবে সমান সুবিধা প্ৰদান কৰিব লাগে। ইয়াৰ পৰা ক'ব পাৰি যে প্লেটো আছিল তেওঁৰ সেই সময়ৰ প্ৰথম নাৰীবাদী দাৰ্শনিক।

১৪.৭.৮ কৰ্মৰ বিশেষত্বৰ (Functional Specialization) নীতি

প্লেটোৰ মতে অপৰিসীম প্ৰয়োজনৰ ফলত বাবে আৰু নিজৰ সক্ষমতাৰ অভাৱত এজন ব্যক্তিয়ে তেওঁৰ সকলোবোৰ ইচ্ছা পুৰণ কৰিব নোৱাৰে। সেয়েহে পৰস্পৰৰ ইচ্ছা আকাংক্ষাবোৰ পুৰণ কৰিবলৈ ব্যক্তিৰ পৰস্পৰৰ মাজত সহযোগিতা থকাটো দৰকাৰী। কিছুমান মানুহ কিছুমান বিশেষ কাম কৰিবলৈ পাৰ্গত।

১৪.৮ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটোৰ সমালোচনা বা আসোঁৱাহসমূহ

প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ তত্বটোৰ কেতবোৰ গম্ভীৰ সমালোচনা আছে যিবোৰ তলত দিয়া ধৰনে উল্লেখ কৰিব পৰা যায় —

(ক) প্লেটোৰ আদর্শ ৰাষ্ট্ৰ এক আদর্শমুলক ৰাষ্ট্ৰ। ইয়াক বাস্তৱ জীৱনত অনুভৱ কৰিব পৰা নাযায়। তেওঁৰ দার্শনিক ৰজা সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ ধাৰণাবোৰ স্বভাৱতঃ অ-মানৱিক।

(খ) প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটোত আইন-কানুনৰ কোনো ব্যৱস্থা নাই। দার্শনিক ৰজাজন কোনো আইন কানুনৰ দ্বাৰা নিয়ন্ত্রিত নহয়।

(গ) প্লেটোৰ আদর্শ ৰাষ্ট্ৰ অ-গনতান্ত্রিক। এনেকুৱা এখন ৰাষ্ট্ৰত সকলোবোৰ ক্ষমতা দার্শনিক ৰজা বা অভিভাৱক শ্ৰেণীৰ হাততেই ন্যস্ত থাকিব আৰু আন মানুহৰ মতামতবোৰক কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নহয়।

(ঘ) মানুহৰ মাজত তুলনা কৰি প্লেটোৱে তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো গঠন কৰিছিল আৰু এই চিহ্নিতকৰণ বা সাদৃশ্যটোৰ বাবে এক খেলিমেলিৰ সৃষ্টি হৈছে। তেওঁ নৈতিকতা

আৰু ৰাজনীতিৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ অসমর্থ হৈছিল। তেওঁ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো কেৱল তুলনাৰ ওপৰতেই নির্ভৰশীল নাছিল বৰঞ্চ ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত চিহ্নিতকৰণ কৰা হৈছিল, যিটো সম্পূর্ণভাৱে ভুল।

(ঙ) প্লেটোৱে দাসত্ৱৰ ব্যৱস্থাটোক গৰিহনা দিবলৈ অসমর্থ হৈছিল আৰু ইয়াক এক মৌলিক ভুল (cvil) হিচাপে গণ্য কৰিছিল।

(চ) প্লেটোৰ মহিলা আৰু অস্থায়ী বিবাহৰ সাম্যবাদী ব্যৱস্থাটো একেবাৰে সোৱাদহীন/ঘৃণনীয় আৰু অনৈতিক আছিল।

(ছ) প্লেটো এজন ৰাজনৈতিক ভাৱবাদীতকৈ এজন নৈতিকতাবাদীহে আছিল। তেওঁৰ এই অনুমানটো যে ৰাষ্ট্ৰই ইয়াৰ সকলোবোৰ নাগৰিকৰ জীৱনবোৰ নিয়ন্ত্ৰণ কৰা উচিত সম্পূর্ণভাৱে মিছা আৰু ই মানৱীয় স্বাধীনতাৰ পৰিপন্থী।

(জ) কর্মৰ বিশেষত্ৱৰ ব্যৱস্থাটোৰ দ্বাৰা, প্লেটোই ব্যক্তি সত্বাক বা ব্যক্তিত্বক বহতীয়া বা তলতীয়া বা বাঙনা কৰি পেলাব ইচ্ছা কৰিছিল। তেওঁৰ এই আদর্শ ৰাষ্ট্ৰত মানুহৰ ব্যক্তিত্ৱৰ পূর্ণ বিকাশৰ কোনো সম্ভাৱনা নাছিল।

(ঝ) প্লেটোই তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাত তলৰ শ্রেণীৰ মানুহখিনিক সম্পূর্ণৰূপে অৱহেলা কৰিছিল যিখিনিয়ে জনসংখ্যাৰ এক বৃহৎ অংশ আগুৰি আছিল। এনেকুৱা ধৰণৰ অৱহেলাই সমাজখনক দুটা শত্রুতাপূর্ণ দলত ভাগ কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ 'Republic' নামৰ গ্রন্থখনৰ লিখক কোন?

.....

.....

প্রশ্ন ২ ঃ প্লেটোৰ 'Republic' ক কেনেকৈ বুজা হয়?

.....

.....

প্রশ্ন ৩ ঃ প্লেটোই কেনেদৰে ভাবিছিল যে তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ অনুষ্ঠানসমূহৰ প্রকৃত সত্য হ'ব পৰা ক্ষমতা বা দক্ষতা আছে?

.....

.....

প্রশ্ন ৪ঃ প্লেটোৰ মতে, এখন আদর্শ ৰাষ্ট্ৰৰ গুণসমূহ কিহৰ লগত একে?

.....

.....

প্রশ্ন ৫ঃ প্লেটোৰ মতে, ৰাষ্ট্ৰ নিয়ন্ত্রিত শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য কি?

.....

.....

প্রশ্ন ৬ঃ প্লেটোৰ মতে, এজন দার্শনিক ৰজা বা অভিভাৱক শ্রেণীৰ কি অধিকাৰ নাই?

.....

.....

প্রশ্ন ৭ঃ প্লেটোৰ দাসত্ব প্রথাটো কি হিচাপে গণ্য কৰিছিল?

.....

.....



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্লেটোই তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ তত্বটো তেওঁৰ 'The Republic' নামৰ গ্রন্থখনত প্রকাশ কৰিছিল।
- প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো কিছুমান মৌলিক নীতিৰ ওপৰত নির্ভৰশীল আছিল যেনে — মানুহৰ তিনিটা শ্রেণীবিভাজন সহায়ক তথা উৎপাদক শ্রেণী, ন্যায় প্রতিষ্ঠা, ৰাষ্ট্ৰ নিয়ন্ত্রিত শিক্ষা ব্যৱস্থা, সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ।
- প্লেটোৰ 'The Republic' ক সকলোবোৰ আদর্শৰ উর্দ্ধত বা শেষত আটাইতকৈ বেছি আদর্শগত বুলি ভবা হয়।
- ইয়াৰ কাৰণ এইটো নহয় যে ইয়াত ৰোমাঞ্চ আছে বৰঞ্চ এইটো কাৰণ যে তেওঁ ইয়াত আদর্শ ৰাষ্ট্ৰ গঠন কৰিছে।
- প্লেটোই তেওঁৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো এজন ব্যক্তিৰ লগত তুলনা কৰি গঠন কৰিছিল।
- প্লেটোই সদায় বিশ্বাস কৰিছিল যে এজন ব্যক্তিৰ গুণসমূহ আৰু এখন ৰাষ্ট্ৰৰ গুণসমূহ একে।

- প্লেটোৰ মতে, এখন ৰাষ্ট্ৰ বা ৰাজ্য হ'ল মানুহৰ সৃষ্টি/উৎপাদন যি গঠন হয় তিনি প্ৰকাৰৰ উপাদানৰ দ্বাৰা যেনে বুদ্ধি সাহস আৰু ভোকৰদ্বাৰা।
- এই তিনি প্ৰকাৰৰ মানৱীয় উপাদানৰ লগত সংগতি ৰাখি তিনি প্ৰকাৰৰ মানুহৰ শ্ৰেণীৰ বা প্ৰকাৰৰ সৃষ্টি হয়— অভিভাৰক শ্ৰেণী, সহায়ক আৰু উৎপাদক শ্ৰেণী।
- এই তিনি প্ৰকাৰৰ মানুহৰ শ্ৰেণীৰ মাজত প্লেটোই কৰ্মৰ বিশেষত্ব আৰু শ্ৰমৰ শ্ৰেণীবিভাজন কৰিছিল।
- আদর্শ ৰাষ্ট্ৰত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ এক ব্যৱস্থাও আছে।
- এই সাম্যবাদী ব্যৱস্থাত, দার্শনিক ৰজা বা অভিভাৱক শ্ৰেণীৰ ব্যক্তিগত সম্পত্তি আৰু পৰিয়াল ৰখাৰ কোনো অধিকাৰ নাই।
- প্লেটোই পৰিয়াল আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰতি থকা আসক্তিবোৰক ৰাষ্ট্ৰৰ ঐক্যতা আহৰণৰ ক্ষেত্ৰত এক বৃহৎ হেঙাৰ হিচাপে গণ্য কৰিছিল।



১৪.১০ অধিক জানিবলৈ

1. Gogoi, Purandar Prof. (2007). Degree Political Theory, Guwahati Banalata Publication.
2. Johari, J.C. (1994). Tradition of Political Thought. Bombay Himalayan Publishing House.
3. Mahis, Y. (1994). A critical History of Western Philosophy. Motilal Banarsidass Publishers Pvt. Ltd.
4. Rao, V. V. (1998), A History of Political Theories. New Delhi : S. Chand and Company.
5. Sharma, R.P. (1984). Western Political Thought, New Delhi, Sterling Publications Ltd.
6. Thiehy, Frank (1914), A History of Philosophy. H. Holt and Company.



১৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্লেটো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সকলো আদর্শৰ উৰ্দ্ধত আদর্শগত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নাই, প্লেটোই কেতিয়াও তেনেকৈ ভবা নাছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এজন ব্যক্তিৰ গুণসমূহ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ই এখন আদর্শ ৰাষ্ট্ৰত জ্ঞানী শাসক আৰু গুণী নাগৰিকক বিকাশ কৰাত মনোনিবেশ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল আৰু ব্যক্তিগত সম্পত্তি থকা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মৌলিক অমংগল বা হানি বা বেয়া।



১৪.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰ কি কি মৌলিক নীতিৰ ওপৰত নির্ভৰশীল?

প্ৰশ্ন ২ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ গঠনৰ ধাৰণাটো কেনেকৈ তুলনা কৰিছে?

প্ৰশ্ন ৩ ঃ এখন আদর্শ ৰাষ্ট্ৰৰ নাগৰিকৰ তিনি প্ৰকাৰৰ ভাগবোৰ কি কি?

প্ৰশ্ন ৪ ঃ প্লেটোৰ মতে এখন ৰাষ্ট্ৰৰ ঐক্যতা স্থাপনৰ ক্ষেত্ৰত দেখা দিয়া আটাইতকৈ ডাঙৰ হেঙাৰটো কি?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ 'ৰাষ্ট্ৰৰ তিনি প্ৰকাৰৰ নাগৰিক'ৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ প্লেটোৰ শিক্ষাৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ প্লেটোৰ পৰিয়ালৰ ধাৰণাটোৰ বিষয়ে এটা চমুটোকা লিখক।

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক?

প্ৰশ্ন ৩ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণাটোৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক?

** **** **